নং ঃ ২৮৩/২০২১

# প্ৰাক্তন বিধায়ক পানীৰাম ৰাভাৰ বিয়োগত মুখ্যমন্ত্ৰীৰ শোক প্ৰকাশ

**দিছপুৰ, ১৮ ছেপ্টেম্বৰ ঃ** প্ৰাক্তন বিধায়ক পানীৰাম ৰাভাৰ বিয়োগত গভীৰ শোক প্ৰকাশ কৰিছে মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই।

আজি এক শোকবাৰ্তাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে বৰমা বিধানসভা সমষ্টিৰ প্ৰাক্তন বিধায়কগৰাকীৰ বিয়োগত ৰাজ্যখনে এগৰাকী বিশিষ্ট ৰাজনীতিকক হেৰুৱালে। বিধায়কগৰাকীয়ে বৰমা সমষ্টিৰ উত্তৰণৰ দিশত আগবঢ়োৱা অৰিহণা সমষ্টিবাসীয়ে শ্ৰদ্ধাৰে স্মৰণ কৰিব। মুখ্যমন্ত্ৰীয়ে প্ৰয়াত বিধায়কগৰাকীৰ বিদেহ আত্মাৰ চিৰশান্তি কামনা কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰে।

**বঃভাঃ**
**১৮-০৯-২০২১**